# অধ্যায় ৬ ঃ সংস্কৃত ছন্দ — সাধাৰণ আলোচনা

## অধ্যায় গাঁথনি


৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সংস্কৃত ছন্দৰ ভূমিকা

৬.৩.১ ছন্দৰ ব্যুৎপত্তি আৰু সংজ্ঞা

৬.৩.২ ছন্দ ঃ শাস্ত্ৰ

৬.৪ বৈদিক ছন্দ আৰু লৌকিক ছন্দ

৬.৫ ছন্দৰ বিভাগ — বৃত্ত আৰু জাতি

৬.৬ ছন্দৰ উপাদান— গণ, যতি, দেৱতা, বর্ণ, স্বৰ, গোত্ৰ

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্ৰগতিৰ খতিয়ান

৬.১০ আৰ্হি প্ৰশ্ন


## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- সংস্কৃত ছন্দৰ ইতিহাস আৰু পৰম্পৰা সম্পর্কে এটি চমু আভাস লাভ কৰিব
- সংস্কৃত ছন্দৰ বৃত্ত, জাতি আদি বিভিন্ন ভাগৰ বিষয়ে জানিব পাৰিব।
- সংস্কৃত ছন্দৰ গণ, যতি আদি উপাদানৰ বিষয়ে অৱগত হ'ব।

## ৬.২ পৰিচয়

আপুনি নিশ্চয় জানে যে পদ্য ছন্দোৱদ্ধ। সংস্কৃত সাহিত্যত ছন্দোহীন কবিতা বিৰল। কবিতাৰ শাৰীৰিক উপাদানবোৰৰ এবিধ হ'ল— ছন্দ। কবিতাৰ শৰীৰ শব্দার্থেৰে গঠিত। এই শব্দার্থময়ী শৰীৰৰ ভিন্ ভিন্ অংগৰ এবিধ হৈছে— ছন্দ। এই ছন্দই পদ্যক গতি প্ৰদান কৰে। যিদৰে ভৰিৰে মানুহে খোজ কাঢ়ি যায় ঠিক সেইদৰে ছন্দৰ সহায়েৰে কবিতাই গতি পায়। 'পাণিনীয়শিক্ষা' গ্ৰন্থত উল্লেখ কৰিছে যে ছন্দ হ'ল ৰেদপুৰুষৰ পদযুগল। সেয়েহে বৈদিককালৰপৰাই ছন্দঃশাস্ত্ৰক বেদাংগ হিচাপে মান্যতা প্ৰদান কৰি অহা হৈছে। এই অধ্যায়টিত ছন্দৰ সামগ্ৰিক আভাস প্ৰদান কৰা হৈছে।

## ৬.৩ সংস্কৃত ছন্দৰ ভূমিকা

### ৬.৩.১ ছন্দৰ ব্যুৎপত্তি আৰু সংজ্ঞা

'ছন্দ' শব্দটো 'চদ্' ধাতুৰপৰা অহা। 'চদ্' ধাতুৰ অর্থ হৈছে আহ্লাদিত হোৱা। সংস্কৃত ব্যাকৰণৰ উণাদিসূত্র — 'চন্দেৰাদেশ্চ ছঃ' অনুসৰি ছন্দস্ শব্দ নিষ্পন্ন হৈছে। ছন্দস্ শব্দটো ক্লীৱলিঙ্গ। শব্দৰূপ কৰিলে 'ছন্দঃ— ছন্দসী— ছন্দাংসি"— ইত্যাদি ৰূপ হয়। সেইবাবে সমাসবদ্ধ পদ কৰি লিখিলে ছন্দঃশাস্ত্র, ছন্দোগ্রন্থ আদি ৰূপত লিখা হয়। অৱশ্যে 'ছন্দঃ' এই সংস্কৃত পদটো অসমীয়া ভাষাত লিখোতে 'ছন্দ' বুলিয়ে লিখা হয়।

ছন্দ হৈছে কবিতাত থকা বর্ণবোৰৰ সংখ্যাগত বিন্যাস। এই বিন্যাস লঘু (হ্রস্ব), গুৰু (দীর্ঘ) আদি বর্ণধর্মেৰে নির্ণিত কৰা হয়। কবিয়ে কাব্যনির্মাণ কৰোতে কিছুমান বছা বছা পদাৱলী সংযোজন কৰে। পদ্যনির্মাণৰ বেলিকা এই কথা এখোপ চ'ৰা। উপযুক্ত পদচয়নেৰেহে উৎকৃষ্ট পদ্যনির্মাণ সম্ভৱ। সেই পদচয়নত প্রয়োগ হোৱা বর্ণাৱলীৰ গাঁঠনিক বিন্যাসেই হ'ল—ছন্দ। (১) ছন্দো২ক্ষৰ সংখ্যাৱচ্ছেদকম্। (২) মাত্রাক্ষৰসংখ্যানিয়তবাক্ ছন্দ।

### ৬.৩.২ ছন্দ ঃ শাস্ত্র

মুণ্ডকোপনিষদ' গ্রন্থত পোন প্রথমবাৰৰ বাবে ৬ বিধ বেদাংগৰ কথা উল্লেখিত হৈছে আৰু তাৰে এবিধ হৈছে ছন্দ। বেদমন্ত্রৰ শুদ্ধ পাঠৰ বাবে ছন্দোজ্ঞান অনিবার্য্যভাৱে আহৰণ কৰিব লাগিব। গতিকে ছন্দঃশাস্ত্রৰ ইতিহাস বৈদিক সাহিত্যৰ ইতিহাসৰ সমানেই প্রাচীন। তৈত্তিৰীয় সংহিতা, ঐতৰেয়ব্রাহ্মণ, শৌনকৰ ঋকপ্রাতিশাখ্য, কাত্যায়নৰ সর্ৱানুক্রমণী আদি গ্রন্থত ছন্দৰ আলোচনা পোৱা যায়। যাস্ক, পতঞ্জলি, বোধায়ন, আশ্বলায়ন, জৈমিনী, স্কন্দস্বামী, নাৰায়ণ, উদ্গীত, কৌৎস আদি প্রাচীন ঋষিসকলক ছন্দঃশাস্ত্রৰ প্রণেতাৰূপে পৰিগণনা কৰা হয়। কিন্তু তেওঁলোকৰ গ্রন্থ বর্তমান উপলব্ধ নহয়। পিঙ্গল নাগে ৰচনা কৰা 'পিঙ্গলছন্দঃসূত্র' নামৰ গ্রন্থখন সংস্কৃত ছন্দঃশাস্ত্রৰ প্রাচীনতম উপলব্ধ গ্রন্থ বুলি গ্রহণ কৰা হয়। এই পিঙ্গলছন্দঃসূত্রৰ ওপৰত ভালেমান টীকা-ভাষ্য ৰচনা হৈছিল। সেইবোৰৰ ভিতৰত হলায়ুধে ৰচনা কৰা 'মৃতসঞ্জীৱনী' টীকা উল্লেখনীয়। পিঙ্গলনাগৰ পিছত হেমচন্দ্রৰ 'ছন্দো২নুশাসন', ক্ষেমেন্দ্রৰ 'সুবৃত্ততিলক', কেদাৰভট্টৰ 'বৃত্তৰত্নাকৰ', গংগাদাসৰ 'ছন্দোমঞ্জৰী', কৱিকর্ণপূৰৰ 'বৃত্তমালা', কালিদাসৰ 'শ্রুতবোধ' আদি লেখতল'বলগীয়া ছন্দোগ্রন্থ। 'অসমৰ কালিদাস' ৰূপে খ্যাত মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে ৰচনা কৰা 'বৃত্তমঞ্জৰী' নামৰ ছন্দঃশাস্ত্রখন এইক্ষেত্রত বিশেষভাৱে উল্লেখনীয়।

## ৬.৪ বৈদিক ছন্দ আৰু লৌকিক ছন্দ

বেদমন্ত্ৰবোৰ ছন্দোৱদ্ধ। এই বৈদিক ছন্দ প্ৰধানকৈ ৭ টা। সেইবোৰ হ'ল— (১) গায়ত্ৰী, (২) উষ্ণিক, (৩) অনুষ্টুপ্, (৪) বৃহতী, (৫) পংক্তি, (৬) ত্ৰিষ্টুপ্ আৰু (৭) জগতী। ইয়াৰে গায়ত্ৰী ছন্দত ২৪ টা আখৰ থাকে। তেনেদৰে উষ্ণিক প্ৰভৃতি ছন্দবোৰত ৪ টা আখৰ বাঢ়ি গৈ শেষত জগতী ছন্দত ৪৮ টা আখৰ হয়। নিম্নোক্ত তালিকাৰে এই কথা দেখুৱাব পাৰি—

| ক্ৰমাংক | ছন্দ | অক্ষৰ |
|---|---|---|
| ১ | গায়ত্ৰী | ২৪ |
| ২ | উষ্ণিক | ২৮ |
| ৩ | অনুষ্টুপ্ | ৩২ |
| ৪ | বৃহতী | ৩৬ |
| ৫ | পংক্তি | ৪০ |
| ৬ | ত্ৰিষ্টুপ্ | ৪৪ |
| ৭ | জগতী | ৪৮ |

ইয়াৰ উপৰিও বৈদিক সাহিত্যত 'অতিচ্ছন্দ' আৰু 'বিচ্ছন্দ'ৰ কথা কোৱা হৈছে। লৌকিক ছন্দৰ জন্মকাহিনী মনোমোহা। আদিকবি বাল্মীকিয়ে এদিনাখন প্ৰাতঃকৃত্য কৰিবলৈ তমসা নদীৰ তীৰলৈ গৈ থাকোতে দেখা পালে যে এজন ব্যাধ্যে এহাল ক্ৰৌঞ্চ-পক্ষী (চাকৈ-চকোৱা চৰাই)ৰ মতা চৰাইটোক বধ কৰিলে। তেতিয়া মাইকী চৰাইজনীয়ে শোকত বিনাব ধৰিলে। এই বিননি শুনি ঋষিকবি বাল্মীকিৰ হৃদয় কৰুণাৰে ভৰি পৰিল। তেওঁৰ শোকাকূল হৃদয়ৰপৰা নিম্নোক্ত পদ্যফাকি নিৰ্গত হ'ল—

মা নিষাদ! প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
য়ৎ ক্ৰৌঞ্চমিথুনাদেকমৱধীঃ কামমোহিতম্।।

[ৰামায়ণ, ১/২/১৫]

পৰৱৰ্তী পৰ্যায়ত এই পদ্যটোক শ্লোক বুলি নামকৰণ কৰা হ'ল। বাল্মীকি মুনিয়ে নিজেই তেওঁৰ শিষ্যবৰ্গক জনালে যে পাদবদ্ধ, তাল আৰু লয় সমন্বিত এই বাক্যশাৰীয়েই শ্লোক—

পাদৱদ্ধো২ক্ষৰসমস্তন্ত্ৰী লয় সমন্বিতঃ।
শোকাৰ্ত্তস্য প্ৰবৃত্তো মে শ্লোকো ভৱতু নান্যথা।।

[ৰামায়ণ, ১/২/১৮]

শ্লোক হৈছে এবিধ ছন্দ। এই ছন্দৰ লক্ষণ মহাকবি কালিদাসে প্ৰণয়ন কৰা 'শ্ৰুতবোধ' গ্ৰন্থত এনেদৰে পোৱা যায়—

শ্লোকে ষষ্ঠং গুৰু জ্ঞেয়ং সৰ্ব্বত্ৰ লঘু পঞ্চমম্।
দ্বিচতুষ্পাদয়োৰ্হ্ৰস্বং সপ্তমং দীৰ্ঘমন্যয়ো।।

[শ্ৰুতবোধ-১০]

মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যৰ 'বৃত্তমঞ্জৰী' গ্ৰন্থত শ্লোকৰ লক্ষণ এনেদৰে দিয়া আছে—

সর্ব্বত্র পঞ্চমো হ্রস্বো গুরুঃ ষষ্ঠো দ্বিতুর্য্যয়োঃ।
যত্রাংঘ্রোঃ সপ্তমো হ্রস্বঃ স শ্লোকো গুরুন্যয়োঃ।।

[ বৃত্তমঞ্জৰী— পঞ্চম স্তৱক]

শ্লোকছন্দৰ অন্যনাম অনুষ্টুপ্ ছন্দ। লৌকিক সংস্কৃত সাহিত্যত ৰামায়ণক আদিকাব্যৰূপে স্বীকাৰ কৰা হয়। সেইফালৰপৰা কবি বাল্মীকিৰ মুখেৰে নির্গত হোৱা এই 'শ্লোক' হৈছে লৌকিক ছন্দবোৰৰ আদিমতম সৃষ্টি। বাল্মীকিৰ ৰামায়ণত মাথো কেইবিধমান ছন্দৰহে প্রয়োগ হৈছিল। কিন্তু পৰৱর্তী লৌকিক সংস্কৃত সাহিত্যত বিশাল ছন্দোভাণ্ডাৰ তৈয়াৰ হ'ল।

## ৬.৫ ছন্দৰ বিভাগ— বৃত্ত আৰু জাতি

লৌকিক সংস্কৃত পদ্যত ছন্দ অলেখ। এই ছন্দ প্রধানকৈ দুভাগত বিভক্ত— (১) বৃত্ত আৰু (২) জাতি। ইয়াৰে বৃত্ত হৈছে অক্ষৰগণনাৰদ্বাৰা নিৰূপিত ছন্দ আৰু জাতি হৈছে মাত্রাগণনাৰ দ্বাৰা নিৰূপিত ছন্দ। মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱৰ 'বৃত্তমঞ্জৰী' গ্ৰন্থত বৃত্ত আৰু জাতিৰ লক্ষণ এনেদৰে দিয়া আছে—

নিবদ্ধমক্ষৰগণৈঃ পদ্যং বৃত্তং প্রগীয়তে।
মাত্রাগণৈর্নিবদ্ধন্তু পদ্যং জাতিৰিহেয্যতে।।

[বৃত্তমঞ্জৰী—দ্বিতীয় স্তৱক, খ.২]

উল্লেখনীয় যে অক্ষৰ গণনাৰ ক্ষেত্রত সদায় স্বৰবর্ণহে গণনা কৰা হয়; ব্যঞ্জন বর্ণ নহয়। কাৰণ, হ্রস্ব-দীর্ঘ বা লঘু-গুৰু ধর্ম স্বৰবর্ণৰহে আছে; ব্যঞ্জন বর্ণৰ নাই।

অচঃসর্বত্র সংখ্যেয়াঃ পদ্যেষু ন পুনর্হলঃ।

[বৃত্তমঞ্জৰী-দ্বিতীয় স্তৱক, খ. ৩]

বৈদিক সাহিত্যত ছন্দক বেদপুৰুষৰ চৰণযুগল (ছন্দঃ পাদৌ তু ৱেদস্য) বোলাৰ লেখীয়াকৈ লৌকিক সংস্কৃত সাহিত্যত কোৱা হৈছে— 'পদ্যং চতুষ্পদী' অর্থাৎ পদ্যৰ চাৰিখন চৰণ বা পাদ থাকে। প্রতিটো চৰণৰ অক্ষৰবিন্যাসৰ প্রতি লক্ষ্য ৰাখি সংস্কৃত ভাষাৰ লৌকিক বৃত্তসমূহক পুনৰাই তিনিটা ভাগত ভগোৱা হৈছে— (১) সমবৃত্ত, (২) অর্দ্ধসমবৃত্ত আৰু (৩) বিষমবৃত্ত।

যেতিয়া এটা পদ্যৰ চাৰিওটা চৰণৰ অক্ষৰবিন্যাস সমান হয় তাকে 'সমবৃত্ত' বোলে। ধীৰেশ্বৰাচার্য্যই সমবৃত্ত ছন্দৰ সংজ্ঞা এনেদৰে দিছে—

চতুর্ণামপি পাদানামন্যোন্যমতিতুল্যতা।
যত্র সঞ্জায়তে কান্তে তদ্বৃত্তং সমমুচ্যতে।।

[বৃত্তমঞ্জৰী— দ্বিতীয় স্তৱক, খ. ৬]

যেতিয়া কোনো এটা পদ্যৰ প্রথম আৰু তৃতীয় চৰণত সমান সংখ্যক অক্ষৰ থাকে;

তেনেদৰে দ্বিতীয় আৰু চতুর্থ চৰণত সমান সংখ্যক অক্ষৰ থাকে তাকে অর্ধসমবৃত্ত বোলা হয়—

আদ্যসাংঘ্রেস্তৃতীয়েন যত্র পাদেন তুল্যতা।
দ্বিতীয়স্য চতুর্থেন তদর্ধসমমুচ্যতে।।

[ বৃত্তমঞ্জৰী-দ্বিতীয় স্তৰক, খ.৭]

যেতিয়া কোনো এটা পদ্যৰ চাৰিওটা চৰণৰ অক্ষৰসংখ্যা অসমান হয় তেতিয়া তাকে বিষম বৃত্ত বোলে।

চতুর্ণামপি পাদনাং পৰস্পৰমতুল্যতা।
যত্র তদ্বিষমং জ্ঞেয়ং সম্পূর্ণেন্দুনিভাননে।।

[ বৃত্তমঞ্জৰী- দ্বিতীয় স্তৰক, খ.৮]

আনহাতে জাতি মাত্রাৰ দ্বাৰা নিৰূপণ কৰা হয়। মহামহোপাধ্যায় ধীৰেশ্বৰাচার্য্যদেৱে তেওঁৰ বৃত্তমঞ্জৰী গ্রন্থৰ ষষ্ঠ স্তৰকত জাতিৰ বিষয়ে আলোচনা কৰিছে। জাতিৰ বহুল প্রয়োগ হোৱা এবিধ ছন্দ হৈছে 'আর্য্যা'। এই আর্য্যাৰ উপৰিও গীতি, উপগীতি, উদ্‌গীতি আদি জাতি পোৱা যায়। দোহা নামেৰে অন্য এবিধ জাতি বহুলচর্চিত।

ছন্দৰ আন এবিধ বিভাগ হৈছে— প্রস্তাৰ। ই হৈছে পদ্যৰ এনে এবিধ অক্ষৰবিন্যাস য'ত লঘু আৰু গুৰু বর্ণবোৰ ভিন্ ভিন্ ছবি আঁকি দেখুৱাব পাৰি। প্রস্তাৰ হৈছে সংস্কৃত চিত্রকাব্যৰ লেখীয়া। বৃত্তমঞ্জৰী গ্রন্থত বর্ণপ্রস্তাৰ, মেৰু, পতাকা, মর্কটীজাল আদি প্রস্তাৰৰ বিষয়ে আলোচিত হৈছে।

## ৬.৬ ছন্দৰ উপাদান— গণ, যতি, দেৱতা, বর্ণ, স্বৰ, গোত্র

**গণ** (Mnemonic) ঃ সংস্কৃত ছন্দো২নুশাসনৰ অন্যতম উপাদান হৈছে গণ। পিঙ্গলনাগে তেওঁৰ ছন্দঃসূত্রত এই গণৰ বিষয়ে কৈছে। পৰৱর্তী পর্য্যায়ত প্রায়বোৰ ছন্দোৱিদে এই গণ ব্যৱহাৰ কৰি ছন্দৰ লক্ষণ প্রদান কৰিছে। গণ হৈছে লঘু আৰু গুৰু বর্ণধর্মযুক্ত বর্ণসমষ্টি। এটা গণত তিনিটাকৈ বর্ণ থাকে। এনেদৰে তিনিটা বর্ণসমষ্টিৰে তৈয়াৰ হোৱা গণ হৈছে ৮টা। সেইবোৰ হ'ল— ম-গণ, য়-গণ, ৰ-গণ, স-গণ, ত-গণ, জ-গণ, ভ-গণ, ন-গণ। ইয়াৰ উপৰিও এটা লঘু আখৰেৰে ল-গণ আৰু এটা গুৰু আখৰেৰে গ-গণ উল্লেখিত হৈছে। মুঠতে ১০ টা গণ। ইয়াৰে লঘু বর্ণক'।' চিনেৰে আৰু গুৰু বর্ণক 'S' চিনেৰে বুজোৱা হয়। তলত দিয়া তালিকাত ১০টা গণৰ বর্ণসমষ্টিৰ আভাস উদাহৰণেৰে সৈতে দিয়া হ'ল—

| **গণ** | **চিহ্ন**<br>I লঘু S গুৰু | **উদাহৰণ** |
|---|---|---|
| ম | S S S | ধী শ্রী স্ত্রী |
| য় | I S S | ব ৰা সা |
| ৰ | S I S | কা স্ত হা |
| স | I I S | ব সু ধা |

| | | |
|---|---|---|
| ত | S S I | সা তে ক্ক |
| জ | I S I | ক দা স |
| ভ | S I I | কিং ব দ |
| ন | I I I | ন হ স |
| ল | I | গৃ |
| গ | S | গ |

উল্লেখনীয় যে ছন্দৰ অক্ষৰ গণনাৰ ক্ষেত্ৰত কেৱল স্বৰবৰ্ণৰহে গণনা কৰা হয়। লঘু বৰ্ণ মানে হৈছে হ্ৰস্বস্বৰ আৰু গুৰু বৰ্ণ মানে হৈছে দীৰ্ঘ স্বৰ। হ্ৰস্ব স্বৰৰ একমাত্ৰা আৰু দীৰ্ঘস্বৰৰ দ্বিমাত্ৰা— 'একমাত্ৰো ভৱেদ্হ্ৰস্বো দ্বিমাত্ৰো দীৰ্ঘ উচ্যত'। বৃত্তমঞ্জৰীৰ দ্বিতীয় স্তৱকত গুৰুলঘুসংজ্ঞাকুসুমত লঘু বৰ্ণ আৰু গুৰু বৰ্ণৰ লক্ষণ এনেদৰে পোৱা যায়।

একমাত্ৰকমুদীৰিত স্মুধৈর্হ্ৰস্বমিন্দুবদনে দ্বিমাত্ৰকম্।
দীৰ্ঘমাশ্ৰৱণদীৰ্ঘলোচনে হ্ৰস্বমেৱ লঘু বক্তি পাণিনিঃ।।

[ বৃত্তমঞ্জৰী— দ্বিতীয় স্তৱক, ক. ৫]

**যতি (Pause or Caesura or Haitus) ঃ**

যতি শব্দটোৰ সমাৰ্থক শব্দ অনেক। যেনে— ছিন্ন, অৱসান, বিশ্ৰাম, বিৰাম, বিৰতি, ছেদ, অৱসিতি ইত্যাদি। বৃত্তমঞ্জৰী গ্ৰন্থত যতিৰ লক্ষণ এনেদৰে দিছে—

সা যতিঃ পদপাঠস্তু যত্ৰ বিচ্ছিদ্যতে সতি।।

[ বৃত্তমঞ্জৰী— দ্বিতীয় স্তৱক, খ. ১১]

ইয়াত পদপাঠ শব্দটোৱে পদ্যপাঠক বুজাইছে। চতুষ্পদী পদ্য কৱোঁতে মাজতে মুখাভ্যন্তৱত ঈষৎ জিৰণিৰ প্ৰয়োজন হয়। তাৰ নামেই যতি। প্ৰতিটো চৰণৰ অন্তত যদি থাকে। ইয়াকে পদান্ত যতি বোলা হয়। প্ৰায়বোৰ ছন্দঃশাস্ত্ৰকাৰে ছন্দৰ লক্ষণ নিৰূপণ কৱোঁতে প্ৰয়োজনানুসৰি পাদমধ্যযতিৰ স্থান উল্লেখ কৰিছে।

যতিৰ ক্ষেত্ৰত ছন্দোবিদসকলে তেওঁলোকৰ ছন্দৰ লক্ষণ প্ৰদান কৱোঁতে যতি স্থান উল্লেখ কৰিবলৈ প্ৰয়োজন হোৱা সংখ্যাবোৰৰ কাব্যিক ৰূপত প্ৰকাশ কৰিছিল। প্ৰাচীন সংস্কৃত শাস্ত্ৰকাৰসকলে সংখ্যাবোৰৰ কাব্যিক ৰূপত প্ৰকাশ কৰাটো বৰ মনোমোহা পদ্ধতি আছিল। উদাহৰণস্বৰূপে ০, ১, ২, ৩, ৪, ৫ আদি অংকবোৰ (Digit) ভিন ভিন সংস্কৃত শব্দেৰে প্ৰকাশ কৰিছিল। ছন্দঃশাস্ত্ৰত এই কাম অধিক দেখা যায়। ছন্দোগ্ৰন্থপ্ৰণেতাসকলে বিশেষকৈ 'বৃত্তমঞ্জৰী' গ্ৰন্থত ধীৰেশ্বৰাচাৰ্য্যদেৱে প্ৰয়োগ কৰা এনে শব্দবোৰৰ তালিকা তলত দিয়া হ'ল—

| সংখ্যা | শব্দ |
|---|---|
| ১ | আকাশ |
| ২ | দোস্ (দুবাহু) |
| ৩ | গুণ |

| | |
|---|---|
| ৪ | বেদ, যুগ, বিধিমুখ, দ্রুহিণৱদন |
| ৫ | বাণ, ইন্দ্রিয়, ভূত |
| ৬ | স্বাদ, ৰস, ঋতু |
| ৭ | হয়, অশ্ব, মুনি, তুৰগ, স্বৰ, ঋষি, লোক |
| ৮ | বসু, নাগ, নগ, গজ, ইঙ |
| ৯ | গ্রহ, অংক, ৰন্ধ্র |
| ১০ | দিক্, দশমুখমুখ, হৰিৎ |
| ১১ | ৰুদ্র, মহেশ্বৰ, শিৱ |
| ১২ | মাস, আদিত্য, তপন |
| ১৪ | মনু |
| ১৫ | তিথি |

**অন্যান্য উপাদান** (Other elements) — **দেৱতা, বর্ণ, স্বৰ, গোত্র**

ছন্দৰ দেৱতা থাকে। বিশেষকৈ বৈদিক ছন্দৰ ক্ষেত্ৰত দেৱতাৰ বিষয়ে কোৱা হৈছে। উদাহৰণস্বৰূপে অগ্নি হৈছে গায়ত্রী ছন্দৰ দেৱতা। তেনেদৰে ইন্দ্র হৈছে ত্রিষ্টুপ্ ছন্দৰ দেৱতা। প্রজাপতি অতিচ্ছন্দৰ দেৱতা আৰু বায়ু বিচ্ছন্দৰ দেৱতা। উল্লেখনীয় যে ইতিমধ্যে আলোচিত হোৱা 'ম' আদি ১০টা গণৰ ভিতৰত ৮ টা গণৰ নিজস্ব দেৱতা স্বীকাৰ কৰি ভিন ভিন ফল বিচাৰি উলিওৱা হৈছে—

মো ভূমিঃ শ্রিয়মাতনোতি য-জলং বৃদ্ধিং ৰ-বহ্নিমৃতিং
সো বায়ুঃ পৰদেশদূৰগমনং ত ব্যোম শূন্যং ফলম্।
জঃ সূর্যো ৰজমাদদাতি বিপুলং ভেন্দুর্যশো নির্মলং
নো নাকশ্চ সুখপ্রদঃ ফলমিদং প্রাহুর্গণানাং বুধাঃ।।

[শ্রুতবোধ, ভূমিকা, পৃ. ii]

নিম্নোক্ত তালিকাৰে উপৰোক্ত পৰিকৰাৰ্থ শ্লোকৰ অর্থ স্পষ্ট কৰিব পাৰি—

| **গণ** | **দেৱতা** | **ফল** |
|---|---|---|
| ম | পৃথিৱী | লক্ষ্মী |
| য | জল | বৃদ্ধি |
| ৰ | অগ্নি | মৃত্যু |
| স | বায়ু | পৰদেশ গমন |
| ত | আকাশ | শূন্য |
| জ | সূর্য্য | ৰোগ |
| ভ | চন্দ্র | যশ |
| ন | স্বর্গ | সুখ |

ওপৰত দিয়া ধৰণে গণবোৰৰ দেৱতাকল্পনা কৰা কার্য্যৰ তাৎপর্য্য প্রামাণিকভাৱে পোৱা যায়। উদাহৰণস্বৰূপে মহাকবি কালিদাসৰ ৰঘুবংশ গ্রন্থখন আৰম্ভ হৈছে— "ৱাগার্থাৱিৱ....." শ্লোকেৰে য'ত প্রথমতে ম-গণ ব্যৱহাৰ হৈছে। টীকাকাৰ মল্লিনাথে তেওঁৰ সঞ্জীৱনী টীকাত উল্লেখ কৰিছে যে এনেদৰে ম-গণেৰে কাব্যখন আৰম্ভ হোৱাটো মাংগলিক হৈছে।

বর্ণ শব্দটোৱে বৰণ (Colour) বুজাইছে। শৌনকৰ ঋক্-প্রাতিশাখ্য গ্রন্থত বৈদিক ছন্দৰ বর্ণৰ বিষয়ে কোৱা হৈছে। উদাহৰণস্বৰূপে— অনুষ্টুপ্ ছন্দৰ বৰণ পিশঙ্গ, বৃহতী ছন্দৰ বৰণ কৃষ্ণ ইত্যাদি।

পিঙ্গলনাগে তেওঁৰ ছন্দঃশাস্ত্রত ষড়জ, ঋষভ, গান্ধাৰ, মধ্যমা, পঞ্চম, ধৈৱত আৰু নিষাদ— এই সপ্তস্বৰক ছন্দৰ লগত সাঙুৰিছে। তেনেদৰে অগ্নিৱেশ, কাশ্যপ, গৌতম, অগ্নিৰস, ভার্গৱ, কৌশিক আৰু বশিষ্ঠ — এই ৬ বিধ গোত্রৰ কথা পিঙ্গলাচার্যই উল্লেখ কৰিছে। অগ্নিপুৰাণতো ছন্দৰ উপাদান সম্পর্কে বিতং আলোচনা পোৱা যায়।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ১ ঃ** 'ছন্দ' শব্দটো কি ধাতুৰপৰা অহা?

.....

.....

**প্রশ্ন নং ২ ঃ** বেদাঙ্গৰ বিষয়ে পোন প্রথমে কোনখন গ্রন্থত উল্লেখিত হৈছে?

.....

.....

**প্রশ্ন নং ৩ ঃ** কালিদাসে ৰচনা কৰা ছন্দোগ্রন্থৰ নাম কি?

.....

.....

**প্রশ্ন নং ৪ ঃ** বৈদিক ছন্দ প্রধানকৈ কিমানটা আৰু কি কি?

.....

.....

**প্রশ্ন নং ৫ ঃ** লৌকিক সংস্কৃত সাহিত্যৰ প্রথম শ্লোকটি উল্লেখ কৰক।

.....

.....



## ৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সংস্কৃত ছন্দৰ ব্যুৎপত্তি আৰু সংজ্ঞাৰ বিষয়ে জানিব পাৰিলে।
- ছন্দঃশাস্ত্ৰৰ ৰচয়িতা আৰু উল্লেখনীয় ছন্দোগ্ৰন্থৰ বিষয়েও আপুনি অবগত হ'ল।
- বৈদিক আৰু লৌকিক ছন্দৰ লগত পৰিচিত হ'ল।
- ছন্দৰ বিভিন্ন ভাগ আৰু উপাদানৰ আলোচনাও পঢ়িবলৈ পালে।



## ৬.৮ অধিক জানিবলৈ

১) গংগাদাস প্ৰণীত *ছন্দোমঞ্জৰী*, গুৰুনাথ বিদ্যানিধি, ছত্ৰ-পুস্তকালয়, কলিকতা, বঙ্গাব্দ ১৩৩২

২) *মুণ্ডকোপনিষৎ*, সম্পাদনা— দুৰ্গাচৰণ সাংখ্যবেদান্ততীৰ্থ, দেৱসাহিত্য কুটীৰ, কলিকতা, ১৯৭৭

৩) কালিদাস প্ৰণীত *শ্ৰুতবোধ*, সম্পাদনা-ব্ৰহ্মশংকৰ মিশ্ৰ, চৌখম্বা বিদ্যাভৱন, বাৰাণসী-১

৪) *বৃত্তমঞ্জৰী*, মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্য্য কবিৰত্নপ্ৰণীত, বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ, গুৱাহাটী, অসম, ১৯৬১

৫) Borooah, A.: *Prosody*, Publication, Board, Assam, 1975

৬) Chatterjee, A. : *Vaidik O Laukik Chhande Pingal*, West Bengal State Book Board, Kolkota-6, 1990.



## ৬.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** চদ্ ধাতু।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** মুণ্ডকোপনিষদ।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** শ্ৰুতবোধ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** বৈদিক ছন্দ প্ৰধানকৈ ৭ টা। সেইবোৰ হ'ল— (১) গায়ত্ৰী, (২) উষ্ণিক্, (৩) অনুষ্টুপ্, (৪) বৃহতী (৫) পংক্তি, (৬) ত্ৰিষ্টুপ্ আৰু (৭) জগতী।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ।
য়ৎক্রৌঞ্চমিথুনাদেকমৱধীঃ কামমোহিতম্।'



## ৬.১০ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন** (৫০ টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** বৃত্তমঞ্জৰী কোনে প্ৰণয়ণ কৰিছে?

**প্ৰশ্ন ২ ঃ** গায়ত্ৰী ছন্দত কিমানটা আখৰ থাকে?

**খ) চুটি প্ৰশ্ন** (১৫০ টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ১ ঃ** শ্ৰুতবোধ গ্ৰন্থ অনুসৰি শ্লোকছন্দৰ লক্ষণ লিখক।

**প্ৰশ্ন ২ ঃ** বৃত্ত আৰু জাতিৰ পাৰ্থক্য বুজাই লিখক।

**প্ৰশ্ন ৩ ঃ** সমবৃত্ত কি?

**গ) ৰচনাধৰ্মী প্ৰশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত)

**প্ৰশ্ন ২ ঃ** বৈদিক আৰু লৌকিক ছন্দৰ ওপৰত এটি টোকা লিখক।

**প্ৰশ্ন ২ ঃ** সংস্কৃত ছন্দৰ উপাদানৰ বিষয়ে এটি বিৱৰণ দাঙি ধৰক।

*** ***** ***